## নিনামৰ সপোন

আবুতানিয়ে[1] আমালৈ পিঁচা ধান
কপৌ চৰায়ে টোঁটোলা ভৰাই খায়

নাখাবি নাখাবি
টোঁটোলা ভৰাই
নিনামৰ ভাগিব সপোন
    ধায়ে কয়।।
    । তোৰ আয়েৰ চুকাল।
    এইমাত্র দুদু খাই উঠিছোঁ, মিছলীয়া — তাই হাঁহে।

    ধায়ে কয়।।
    । তইঁতৰ ঘৰ জ্বলিল।
    পিতাই ধান ৰখিবলৈ পুৰাই গ'ল
    ইমান পৰে যে নহা হ'ল — তাই ফেঁকুৰে।

    ধায়ে কয়।।
    । তোৰ পিতাৰা চুকাল।
    পিতাই ধান ৰখিবলৈ পুৰাই গ'ল
    ইমান পৰে যে নহা হ'ল — তাই ফেঁকুৰে।

    ধায়ে কয়।।
    । তোৰ পিতাৰা
    অকনৰিৰ এচলু পানী খাওঁতে উটি গ'ল—।
উটি গ'ল—তাই কান্দে। কান্দি কান্দি
সপোন খান্দে। অকনৰিৰ পানী খান্দে...

আবুতানিয়ে কৈছে পিতাই সৌৰভ নমৰে নত নমৰে
বাটেটোকাই সাজি দিয়া নাৱত উঠি
পিতায়ে ৰবমপুতৰৰ পাৰত ধুনীয়া ধুনীয়া ঘৰ সাজিব
আমি তাতেই থাকিম তাতেই থাকিম অ' মিছলীয়া ধাই
মিছলীয়া অ' মিছলীয়া ধাই তোৰ কথাত ভোল নাযাওঁ...

সুৰ ঃ    নিনামে আকৌ সাৰ পায়।
    চোতালত উমলি থকা
    নোদোকা গাহৰি পোৱালি কেইটা দেখি তাই হাঁহে,
    আইতাকে কোলাত তুলি অনা গাহৰি পোৱালিটো এৰি
    তাইক আলফুলকৈ তুলি লয়।
    তাই আইতাকৰ কঁকৱা মুখ খিনিৰ সিপাৰলৈ ৰ লাগি চায়,

    সৌৰভ কি নদী অ' আইতা

1 আদি পুৰুষ আবুতানিৰ পৰাই মানুহৰ উৎপত্তি বুলি বিশ্বাস।
2 পানীৰ নিজৰাও নিজৰা, চকুৰ নিজৰাও নিজৰা।

বাটেটোকাই খুটি সাজি দিয়া নাৱত উঠি
চিয়াং নৈ পাৰ হৈ অকনৰিৰ বুকুত পৰি
তোৰ জীৱ ওভতাই আনিম ৰখীয়া পিতাই
পথৰা-পাথৰী সুতাৰ সাঁকো সাজি
দেওধায়ে তোক পানীবগৰা তুলি আনিব ৰখীয়া পিতাই
এয়া চা, দেখিছনে—
আইতাই কুকুৰা কাটি বেলিটৈল চাইছে
জলখাই হাত পাতি ল
ককাই গাহৰি কাটি বেলিটেল চাইছে
থলখাই হাত পাতি ল
আৰু কি দিম ধান নাই চাউল নাই
পথাৰৰ ধান কপৌৱে খালে
পিতায়ে অনা বনৰীয়া কুকুৰা কণী দুদিনতে চুকাল
দুদিন দুৰাতি হ'ল পিতাই নোভতা হ'ল
জলখাই পিতাইক নুৰিয়াই নথবি অ' পানীৰ বিজনাত

পিতাই অ' পিতাই
আহি জিলি জিলি মিৰ্চিজিলি জিলি ক'
হেজুলীয়া কণীৰে মুৰ আঁচুৰি দিবি আহ অ' আহ
বিকিনা পাতেৰে গহনা গাঁঠি দিবি আহ অ' আহ
জকলা ৰণাই তৰা ছিড়ি দিবি আহ অ' আহ
তিমক পাতেৰে মহৰ সিজাই খেৱোঁ আহ অ' আহ

চকলাচকল থলপা-থলাপ
সৌৰভৰ ছেৰে ছেৰে তোক কোন নিয়তিয়ে টানে
সৌৰা চা চা থন থন সৌৰ থন থন টৌ
ভয় নাখাবি পিতাই অ' ভয় নাখাবি
শিলনি খন্দি পাৰ খন্দি টৌ খন্দি
বাটেটোকাই সাজি দিয়া নাৱত উঠি
অকনৰিৰ বুকুলৈ উজাই পিতাই তোক নাৱত তুলি আনিম
ধান হ'লে চাউল হ'লে
অকনৰি তোৰ ধাৰ শুজিম
ধান নহ'লে চাউল নহ'লে

ককাই ধনু সাজি কপৌৰ টোঁটোলা ছিড়ি
ধান আনি দিব
কপৌৰ টোঁটোলাত ধান নাপালে
তোৰ বুকু থপচাই ৰখিবলৈ
লাহুকী বাদৰ পুহি ধাৰশালৰ ৰুখুন নমাম

আয়াং অকনৰি
আয়াং অকনৰি
তয়ো দেখিব জী
ময়ো দেখিব জী
পিতাইক উটুৱাই থুলে দিমিনি
দিমিনি অ' দিমিনি ৰবমপুতৰলৈ
পিতাইৰ তোমাৰক আয়ে বিনি বিনি কান্দে
অ' অকনৰি পিতাইক ঘুৰাই দে ধান

সুৰ ঃ    কান্দি কান্দি নিনামে টুপ যায়।
    চকু মেলি থাইক নিয়নি ফুলে
    থাইক নাগাই আকৌ টোপনি যায়।

    ধাই।।
    । তোৰ পিতাৰাক ৰবমপুতৰলৈ উটুৱাই নিলে, কান্দি কি লাভ।

    কোনে ক'লে। কোনে ক'লে তোক।
    । মই ক'লো। মই ক'লো।

    ৰবমপুতৰলৈ কিমান দূৰ
    । বহুত দূৰ।
    কিমানলৈ দ
    । বহুত দ।